بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদনা হুজৰত আকদাছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) ২০১৭ চনৰ ২৭ জানুৱাৰী লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

প্ৰত্যেক কামৰে উৎকৃষ্ট ফলাফল আহৰণৰ বাবে নিগাজিকৈ চেষ্টা কৰাটো হল চৰ্ত ।জমাতি নিজাম আৰু জেলি তনজিমবোৰেও নিজৰ কাম, বিশেষকৈ সেই কামবোৰ,যিবোৰ আল্লাহ তায়লা আমালোকৰ সৃষ্টিৰ মুল উদ্দেশ্য হিচাপে নিৰ্দ্ধৰণ কৰিছে । সেই বোৰ কামত নিকটকৰ্তীয়াকৈ এনেকুৰা মনযোগ দিয়ক যে সময়ৰ লগে লগে অলসতা আৰু দুৰ্বলতাক নেওচি প্ৰত্যেক দিন উন্নতিৰ ফালে যেন লৈ যাব পৰা বিধৰ হয় ।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ আঃ য়ে কয় যে যোৱা জুমাৰ খোতবাত মই নমাজৰ গুৰুত্ব আৰু ইয়াৰ আদায় সম্পৰ্কে সকলোৰে মনযোগ আকৰ্ষণ কৰিছে ।কিছুমানলোকে মোলৈ চিঠি লিখি নিজৰ নিজৰ সোৰোপালি সম্পৰ্কে লজ্জিত হোৱাটো প্ৰকাশ কৰিছো । জমাতি নিজাম আৰু জেলি তনজিমবোৰেও লিখি জনাই ছে যে সচাঁকৈ য়ে এই বিষয়ে অলসতাৰ অৱকাশ ৰৈ আছে । ভৱিষ্যতলৈ এই বিষয়ে কাৰ্য্যকৰী ব্যাৱস্থা হাতত লৈ আছো আৰু ইনশা আল্লাহ পুৰ্ণ উদ্যমেৰে চেষ্টা কৰিম যাতে এইবোৰ সোৰোপালি দুৰ হৈ যায় । আল্লাহ তায়লা এওঁলোকক এই সম্পৰ্কে তৌফিক দান কৰক আৰু আমাৰ মছজিদ সমূহক ভৰপূৰ আবাদ হোৱাৰ দৃশ্য প্ৰকাশ কৰোঁতা বনাওঁক । কিন্তু পৰিচালক সকলে সদায় মনত ৰাখিব লাগিব যে প্ৰত্যেক কামৰে উৎকৃষ্ট ফলাফল আহৰণৰ বাবে নিগাজিকৈ চেষ্টা কৰাটো হল চৰ্ত । প্ৰথম অৱস্থাত সাধাৰণতে আমাৰ মাজৰ বহুতেই বৰ উৎসাহেৰে কাম আৰম্ভ কৰে কিন্তু কিছুদিন পিছৰে পৰাই আকৌ অলসতাই পোখা মেলিবৰে সাধাৰণতে এয়া হল মানৱীয় বৈশিষ্ট । ব্যক্তিগত অলসতাই সিমান এটা বিপদজ্জনক ফলাফলৰ জন্ম নিদিয়ে যদিও এয়া কিন্তু ডাঙৰ এটা চিন্তনীয় বিষয় । কিন্তু নিজামৰ মাজত সোৰোপালিৰ জন্ম হোৱাটো চৰম বিপদজ্জনক । যদি মানুহৰ মনযোগ আকৰ্ষণকাৰী নিজামেই এলেহুৱা হৈ নিজৰ কামলৈ সোৰোপালি প্ৰদৰ্শন কৰে তেন্তে লোকৰ সংশোধন কৰাটো কঠিন হৈ পৰিব ।

গতিকে জমাতি নিজাম আৰু জেলি তনজিমবোৰেও নিজৰ কাম,বিশেষকৈ সেই কামবোৰ, যিবোৰ আল্লাহ তায়লা আমালোকৰ সৃষ্টিৰ মুল উদ্দেশ্য হিচাপে নিৰ্দ্ধৰণ কৰিছে,সেই বোৰ কামত নিকটকৰ্তীয়াকৈ এনেকুৰা মনযোগ দিয়ক যে সময়ৰ লগে লগে অলসতা আৰু দুৰ্বলতাক নেওচি প্ৰত্যেক দিন উন্নতিৰ ফালে যেন লৈ যাব পৰা বিধৰ হয় । আমাৰ ইবাদতৰ উন্নতিয়েহে আমাক কৃতকাৰ্য্যতা দান কৰিব পাৰে । সকলো নিজামেই এই বিষয়ে সচেতন হোৱা উচিত । লাজনা ইমাউল্লাহেও এই বিষয়ে নিজৰ কৰণীয় দায়িত্ব পালন কৰা উচিত । বালক-বালিকা সকলক নমাজৰ অভ্যাস কৰা ,পুৰুষ আৰু ডেকা সকলক মছজিদলৈ যাবলৈ মনত পেলাই দিয়া মহিলা সকলৰ কাম ।এনদৰে মই সেই লোক সকলক শুধুৱাই দিব বিচাৰো,যিসকলে কয় যে আমালোকক নমাজৰ বিষয়ে নুসুধিব কাৰণ বিষয়টো হল খোদা তায়লা আৰু আমাৰ মাজৰ বিষয় । কোনো কোনো মহিলাই অভিযোগ কৰে যে যদি আমি গিৰিয়েকক নমাজ পঢ়াৰ বিষয়ে কওঁ তেন্তে তেখেত সকলে বিভিন্ন তৰ্কতলিপ্ত হৈ পৰে । এনেধৰণৰ লোক সকলক মই জনাওঁ যে-নমাজ নিশ্চয় বান্দা আৰু খোদা তায়লাৰ মাজৰ বিষয় কিন্তু তালৈ মনত পেলাই দিয়াটো নিজামে জমাতৰ কাম । ঠিক তেনেদৰে পত্নীসকলৰও দায়িত্ব আছে । আঁহজৰত ছাঃয়ে কৈছে যে স্বামী-স্ত্ৰীৰ মাজত যি জনে নমাজৰ

বাবে প্ৰথমে সাৰ পাব তেওঁ নমাজৰ বাবে দ্বিতীয়জনক মাতিব আৰু যদি তথাপি সাৰ নাপায় তেন্তে পানী ছটিয়াই দিব । গতিকে এয়া ভৰাটো ভুল যে আমি এই বিষয়ে স্বাধীন আৰু এয়া খোদা তায়লা আৰু নিজৰ ভিতৰৰ বিষয় । গতিকে যি নিজামৰ আয়ত্বাধীনত আপুনি আছে,যদি সেই নিজামে জমাতৰ পৰীক্ষাণৰ বাবে আপোনাক নমাজ সংক্ৰান্তে প্ৰশ্ন কৰে তেন্তে আপুনি বেয়া পাব নোৱাৰে বৰং সহযোগ কৰিব লাগিব । যিয়েই নহওঁক প্ৰত্যেকেই নমাজৰ গুৰুত্ব বুজি পোৱা উচিত আৰু ইয়াৰ বাবে যতনেৰে সৈতে আল্লাহ তায়লা আৰু তাৰ ৰছুলৰ আদেশ অনুযায়ী আমল কৰাৰ চেষ্টা কৰা উচিত ।

ইয়াৰ পিছত হুযুৰ আনোৱাৰ আঃ য়ে নমাজ সম্পৰ্কে হজৰত মছিহ মাওউদ আঃ ৰ কিছুমান উক্তি উল্লেখ কৰে যিবোৰ সাধাৰণতে ফিকাহিমছলাৰ সৈতে সম্পৰ্কিত ।যেনেকৈ ৰফা ইয়াদেইন, অৰ্থাৎ নমাজৰ প্ৰত্যেক তকবিৰত হাত কাণৰ লতিলৈ উঠোৱা । তেখেত আঃয়ে কয় যে এনেকুৱা নকৰিলেও কোনো ক্ষতি নাই । হদীছত এই দুয়োটা ধৰণৰেই উল্লেখ আছে । অনুমান হয় যে আঁহজৰত ছাঃ য়ে এটা সময়ত এনে ৰফা ইয়াদেইন কৰিছিল যদিও পিছত সেয়া বাতিল কৰি দিয়ে ।

চাহাব জাদা মিৰ্জা বশিৰ আহমেদ চাহাবে লিখিছে যে -মিয়া আব্দুল্লাহ চনুৰী চাহাবে কৈছে যে-মই প্ৰথম অৱস্থাত ৰফা ইয়াদেইন,আৰু উচ্চ স্বৰে আমিন কোৱাত অভ্যস্ত আছিলো ।হজৰত আঃৰ সংস্পৰ্শত অহাৰ পিছতো কিছুদিন এয়া মই জাৰি ৰাখিছিলো ।এবাৰ হজৰত মছিহ মাওউদ আঃৰ পিছত নমাজ পঢ়িলো ।নমাজ শেষ হোৱাৰ পিছত তেখেত আঃ য়ে মোলৈ মিচিকিয়া হাঁহিৰে কলে যে মিয়া আব্দুল্লাহ এতিয়ালৈ উক্ত চুন্নতৰ ওপৰত বহুত আমল কৰা হৈ গল । মই সেই দিনৰ পৰা ৰফা ইয়াদেইন আৰু উচ্চ স্বৰে আমিন কোৱা এৰি দিলো । মই কেতিয়াও হজৰত মছিহ মাওউদ আঃক ৰফা ইয়াদেইন কৰা আৰু উচ্চ স্বৰে আমিন কোৱা শুনা নাই । বিছমিল্লাহ উচ্চ স্বৰে পঢ়োতেও শুনা নাই ।আকৌ প্ৰশ্ন হল মানুহ নমাজৰ অনুষ্ঠান কৰোঁতে থিয় দি হাত দুখন কত বান্দি (তাহৰিমা) ৰাখিব লাগে ? মিৰ্জা বশিৰ আহমদ চাহাব ৰাঃ য়ে লিখিছে যে মৌলবি ছৰোৱাৰ শ্বাহ বৰ্ণণা কৰিছে যে এবাৰ হজৰত খলিফাতুল মছিহ আউৱাল ৰাঃৰ ওচৰত এই বিষয়ে এখন চিঠি আহে । উক্ত চিঠি খনত প্ৰশ্ন কৰা আছিল যে-মানুহে যেতিয়া নমাজ পঢ়িবলৈ থিয় হয় আৰু নিয়ত কৰে সেই সময়ত হাত কেনেদৰে বান্দিব লাগে ? প্ৰশ্ন থাকে যে নমাজত নাভিৰ ওপৰত তাহৰিমা বন্ধা সম্পৰ্কে কোনো ছহি হদীছ পাবলৈ আছেনে ? খলিফা আউৱাল চাহাবে উক্ত পত্ৰখন হজৰত মছিহ মাওউদ আঃৰ সন্মুখত আগবঢ়ায় আৰু কয় যে এই সম্পৰ্কে যিবোৰ হদীছ পোৱা যায় সেয়া প্ৰশ্ন উদগাতা । হজৰত মছিহ মাওউদ আঃ য়ে কয় যে মৌলবী চাহাব বিচাৰি চাওঁক নিশ্চয় পাই যাব । হজৰত মছিহ মাওউদ আঃ য়ে কয় যে সৰুতে আমাৰ চাৰিওফালে হানিফি লোক আছিল, মই নাভিৰ তলত তাহৰিমা বন্ধা পছন্দ কৰা নাছিলো বৰং সদায় নাভিৰ ওপৰ ভাগত তাহৰিমা বান্ধিবলৈ মন গৈছিল । মই কেইবা বাৰ পৰীক্ষা কৰি চাই ছো যে যিফালে মোৰ মন ঢাপলি মেলে, বিচাৰিলে সেয়া হদীছৰ পৰা ওলাই পৰে ।গতিকে আপুনি এই বিষয়ে বিচাৰি চাওক নিশ্চয় পাব । কথা শুনাৰ পিছত মৌলবী চাহাবে গৈ কিতাপত বিচাৰি পাই আধা ঘন্টামান পিছত এখন কিতাপ হাতত লৈ ওভতি আহে আৰু তেখেত আঃক জনায় যে হুযুৰ হদীছ পোৱা গৈছে । যি উচ্চ শায়খিন চৰ্ত সাপেক্ষ অৰ্থাৎ তাত হজৰত আবু বক্কৰ আৰু হজৰত উমৰ ৰাঃ দয়ো একমত, যাৰ ওপৰত কোনো প্ৰশ্নই নাহে ।

এজন ব্যক্তিয়ে প্ৰশ্ন কৰে যে আত্তাহিয়াতু পঢ়াৰ সময়ত (নমাজত) গালিৰ ইংগিত বহনকাৰী আঙুলি কিয় উঠাব লাগে অৰ্থাৎ এই আঙুলি জাহলিয়তাৰ যুগত গালি বুজোৱা সংক্ৰান্ত উঠোৱা হৈছিল যাৰ বাবে ইয়াক ছবাব আখ্যা দিয়া হয় অৰ্থাৎ গালি দিয়াৰ আঙুলি ।তেখেত আঃ য়ে কয় যে খোদা তায়লা আৰবীয়ান সকলক সংশোধন কৰিছে আৰু এই অভ্যাস গুচাই দি কৈছে যে খোদা এজন অংশীদাৰ বিহীন বুলি কোৱাৰ সময়ত এই আঙুলি পোন কৰি উঠোৱা যাতে ইয়াৰ ওপৰত জাপি দিয়া দোষ গুচি যায় । অৰ্থাৎ এই আঙুলিৰ যি ভুল নাম দিয়া হৈছে গালি দিয়াৰ আঙুলি বুলি সেয়া মচি গৈ যেন ইয়াৰ নাম সাক্ষ্য প্ৰদানকাৰী আঙুলি হয় । যেনেকৈ আৰবৰ লোক সকলে দিনত পাচঁ ওয়াক্ত মদ পান কৰিছিল তাৰ সলনি পাচঁ ওয়াক্ত নমাজ নিৰ্দ্ধাৰণ কৰা হৈছে ।আকৌ মৌলবী আব্দুল কাদিৰ চাহাব লুধিয়ানুবি প্ৰশ্ন কৰিছিল যে ৰুকু আৰু ছিজদাৰ সময়ত কোৰ-আনী আয়াত অথবা দোৱা পঢ়া কেনেকুৱা হয় ? তেখেত আঃ য়ে উত্তৰত কয় যে ৰুকু আৰু ছিজদাৰ

সময়খিনি অতিকৈ কৰুণ আৰু খোদা তায়লাৰ শব্দবোৰ মহান আৰু বুৰ্জুগীপূৰ্ণ ।ইয়াৰ ওপৰিও হদীছৰ দ্ধাৰা কতো প্ৰমাণিত নহয় যে আঁহজৰত ছাঃ য়ে ৰুকু আৰু ছিজদাৰ সময়ত কোৰ-আনী দোৱা পাঠ কৰিছে ।

হজৰত খলিফাতুল মছিহ ছানি ৰাঃ ক কোনোবাই প্ৰশ্ন কৰিছিল যে ছিজদাত কোৰ-আনী দোৱা পঢ়া নাজায়েজ কিয় ? যিহেতু ছিজদা আটাইতকৈ বিনয়ী আৰু কৰুণ স্থান । তেখেত ৰাঃ য়ে কয় যে মোৰও এনেকুৱাই বিস্বাশ আছিল কিন্তু পিছত যেতিয়া হজৰত মছিহ মাওউদ আঃৰ এটা উদৃতি পালো যত ছিজদাৰ সময়ত কোৰ-আনী দোৱা পঢ়া নাজায়েজ বুলি উল্লেখ আছে আৰু এনেদৰে মছনদ আহমদ বিন হাম্বল এই বিষয়ে হদীছ উল্লেখ আছে । গতিকে যিহেতু আঁহজৰত ছাঃ আৰু হজৰত মছিহ মাওউদ আঃৰ পৰা এটাই কথাৰ উল্লেখ আছে তাৰ বিৰুদ্ধ পন্তা অৱলম্বন কৰা উচিত নহয় । যদিও আমাৰ বিবেক মানি নলয় । আমি কেৱল তেখেত সকলৰ আদেশ অনুসৰি আমলহে কৰিব লাগে ।

এই বিষয়ে প্ৰশ্ন আছে যে যি জন ব্যক্তিয়ে নমাজৰ ৰুকুৰ সময়ত আহি জমাতত চামিল হয় তেওঁৰ সেই ৰাকাতপূৰ্ণ হয় নে নহয় ?এই বিষয়ে হজৰত আকদাছ মছিহে মাওউদ আঃ য়ে কয় যে আমালোকৰ ধৰ্মত এনেকুৱা আছে যে -(আচ্ছালাতু আল ফাতিহাতুল কিতাব) মানুহ ইমামৰ পিছতে হওক বা অকলেই হওক সকলো অৱস্থাতেই নমাজত ছুৰা ফাতিহা পাঠ কৰিব লাগিব । কিন্তু ইমামৰ কৰ্তব্য হল লাহে লাহে ছুৰা ফাতিহা পাঠ কৰা যাতে মুক্তাদি সকলে শুনিব পাৰে আৰু নিজেই পঢ়িব পাৰে অথবা ইমামে প্ৰত্যেক আয়াত খিনি পঢ়ি লব পাৰে । কাৰণ ছুৰা ফাতিহা পঢ়া জৰুৰী এই বাবেই যে এয়া হল উম্মুল কিতাব । কিন্তু যিজনে চেষ্টা কৰা সত্ত্বেও সময় মতে আহি নমাজত উপস্থিত হব নোৱাৰে কোনো মতে ৰুকুত চামিল হৈ কেৱল ৰুকু সমাধা কৰিব পাৰে তাৰ ৰাকাত পূৰ্ণ হৈ যায় যদিও ব্যক্তিজনে ৰাকাতত পঢ়িব লগীয়া ছুৰা ফাতিহা পঢ়িবলৈ সময় নেপায় কাৰণ হদীছ শ্বৰীফত উল্লেখ আছে যে যিজনে আহি জমাতত নমাজৰ ৰুকু পায় তাৰ ৰাকাত সম্পুৰ্ণ হয় । কিন্তু যি জনে সোৰোপালিতে জমাতত চামিল হবলৈ দেৰি কৰি দিয়ে তাৰ নমাজ নষ্ট হৈ যায় ।

আকৌ এজনে প্ৰশ্ন কৰে যে যিজনে নমাজ আলহামদ ইমামৰ পিছত নপঢ়ে তাৰ নমাজ হয় নে নহয় ? হজৰত আকদছ আঃয়ে কয় যে এনে প্ৰশ্ন কৰিব নেলাগে যে নমাজ হয় নে নহয় । বৰং প্ৰশ্ন কৰিব লাগে যে নমাজ আলহামদ ইমামৰ পিছত পঢ়িব লাগে নে নেলাগে ?মই উত্তৰত কওঁ যে জৰুৰ পঢ়িব লাগে ।নমাজ হোৱা আৰু নোহোৱা খোদা তায়লাহে জানে । হানিফি সকলে নপঢ়ে অথচ হাজাৰ হাজাৰ আউলিয়া হানিফি তৰিকৰ অনুসাৰি আছিল ।যদি তেওঁলোকৰ নমাজ হোৱা নাই তেন্তে আউলিয়া আল্লাহ কেনেকৈ হল ? যিহেতু আমি ইমাম আজমৰ এক ধৰণৰ মান্যকাৰী আৰু ইমাম আজমৰ প্ৰতি সন্মান ৰাখো সেয়ে আমি ফতোৱা দিব নোৱাৰো যে নমাজ নহয় । সেই যুগত বহুত হদীছ লিখা হোৱা নাছিল আৰু ইয়াৰ ৰহস্যও খোলা হোৱা নাছিল । সেই বাবে এইবোৰ দুৰ্বল আছিল আৰু এতিয়া এই সমস্যাবোৰ সমাধান হৈ পৰিছে । এতিয়া যদি কোনোৱাই নপঢ়ে তেন্তে নিশ্চয় তাৰ নমাজ কবুল হোৱাৰ মৰ্যদা লাভ কৰিব নোৱাৰে ।

হুযুৰ আনোৱাৰ আঃয়ে কয় যে মাজে সময়ে নমাজে জুহৰ,আছৰ আৰু মগৰিব ঈশা জমা পঢ়া হয় । সময়ৰ ব্যৱধানত উপস্থিত হোৱা সকলে সঠিক ভাৱে নিৰ্ণয় কৰিব নোৱাৰে যে কোন ওয়াক্তৰ নমাজ চলি আছে । হজৰত খলিফাতুল মছিহ ছানি কৈছে যে মই হজৰত মছিহ মাওউদ আঃৰ পৰা শুনিছো যে যদি ইমামে আছৰৰ নমাজ পঢ়াই আছে তেনেতে এজনে মছজিদলৈ আহিল যাৰ জুহৰ নমাজ পঢ়িবলৈ বাকী আছে অথবা ঈশাৰ নমাজ পঢ়াই আছে আৰু পিছত উপস্থিত হোৱা জনৰ মগৰিবৰ নমাজ বাকী ৰৈ আছে তেন্তে তেনেকুৱা জনে পৃথক ভাৱে জুহৰৰ নমাজ পঢ়ি লৈ ইমামৰ লগত চামিল হব অথবা মগৰিব পঢ়িবলৈ আছে তেন্তে মগৰিবৰ নমাজ পঢ়িলৈ ঈশাৰ নমাজৰ বাবে ইমামৰ লগত চামিল হব ।

জমা নমাজ চলি থকা অৱস্থাত যদি কোনোবাই মছজিদলৈ আহে এই বিষয়ে হজৰত মছিহ মাওউদ আঃয়ে ফতোৱা আগবঢ়াইছে যে যদি তেওঁ জানিব পাৰে যে ইমামে আছৰ নমাজ পঢ়াই আছে তেন্তে ব্যক্তিজনে আগতে জুহৰ নমাজ পৃথক ভাৱে আদায় কৰিব পিছত ইমামৰ লগত চামিল হব ।এনেদৰে তেওঁ যদি জানিব পাৰে যে ইমামে ঈশাৰ নমাজ পঢ়াই আছে তেন্তে তেওঁ মগৰিবৰ নমাজ আদায় কৰি পিছত ইমামৰ সৈতে চামিল হৈ ঈশাৰ নমাজ পঢ়িব যদি ব্যক্তিজনে জানিব নোৱাৰে যে এয়া কোন ওয়াক্তৰ নমাজ পঢ়া চলি আছে

ভাগেই ইয়াত নমোবাইন। কিন্তু দৃঢ় ঈমান এওঁলোকৰ অন্তৰত প্ৰতিষ্ঠিত আছে।বৰ্তমান ইয়াৰ চৰকাৰৰ ফালৰ পৰা ৰবকৈ হেঁচা প্ৰয়োগ হৈ আছে। বিনাকাৰণতে এজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈ আছে। কিছুমান জেল হাজোতলৈ প্ৰেৰণ কৰা হৈ আছে । দোষ মাত্ৰ ইখিনিয়ে যে এওঁলোক দেশ দ্ৰোহী সকলৰ দৰে। (নাউজুবিল্লাহ) বিচাৰ পতিয়েও অণ্যায় বিচাৰ কৰিবলৈ লৈছে।বিচাৰ পতিজনে এজন আহমদীক কয় যে যদি তুমি আহমদীয়ত অগ্ৰাজ্য কৰা তেন্তে তোমাক এতিয়াই মুক্ত কৰি দিয়া হব। তেতিয়া আহমদীজনে কয় যে মই মৃত্যু বৰণ কৰিবলৈ সাজু আছো কিন্তু আহমদীয়ত এৰিবলৈ বাধ্য নহয়। নিজৰ ঈমান ত্যাগ নকৰো কাৰণ এয়াই হল প্ৰকৃত ইছলাম যি এতিয়া মই গম পালো। তেতিয়া বিচাৰ পতিজনে কয় যে ঠিক আছে তুমি এনেদৰে কৈছা তেন্তে তোমাক মই গোটেই জীৱণ কাৰাঘৰত ৰাখিম। তুমি জেলতে মৰিবা। তেতিয়া আহমদীজনে কয় যে ঠিক আছে আপোনাৰ যি কৰিবলৈ আছে কৰি থাকক। বৰ্তমান আলজাজায়েৰত এনেকুৰা পৰিস্থিতি চলি আছে।হুযুৰ আনোৱাৰ আঃ য়ে কয় যে আল্লাহ তায়লা আহমদী সকলৰ বাবে সহজ উপায় দান কৰক ।যিবোৰ আচৰণ কৰি আছে,আল্লাহ তায়লা তেওঁলোকৰ চয়তানি তাণ্ডৱ যেন তেওঁলোকৰ ওপৰত জাপি দিয়ে ।প্ৰত্যেকজন আহমদীক আল্লাহ তায়লা উক্ত অত্যাচাৰীৰ হাতৰ পৰা যেন নিজৰ আশ্ৰয়ত ৰাখে ।

(আমিন)

☆ ☆ ☆ ☆

**Assamess Khulasa Khutba Jumma Huzoor Anwar 27January 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890

তেন্তে তেওঁ জমাতৰ সৈতে চামিল হৈ যাওঁক ।এনে অৱস্থাত ইমামৰ যি নমাজ হব সেয়া তেওঁৰ নমাজ হব ।পিছত ব্যক্তিজনে তাৰ প্ৰথম নমাজ পঢ়ি লব ।উদাহৰণ স্বৰূপে ধৰি লোৱা ঈশাৰ নমাজ চলি আছে আৰু এনেতে এজন ব্যক্তি মছজিদলৈ আহিল যাৰ মগৰিব পঢ়িবলৈ বাকী আছে তেন্তে যদি তেওঁ জানিব পাৰে যে এয়া ঈশাৰ নমাজ চলি আছে তেন্তে তেওঁ আগতে পৃথক ভাৱে মগৰিবৰ নমাজ পঢ়িব আৰু পিছত ইমামৰ সৈতে চামিল হৈ ঈশা পঢ়িব কিন্তু যদি তেওঁ জানিব নোৱাৰে যে এয়া কোন ওয়াক্তৰ নমাজ চলি আছে তেন্তে তেওঁ ইমামৰ সৈতে চামিল হৈ নমাজ পঢ়িব ।এনেকুৱা অৱস্থাত তাৰ ঈশাৰ নমাজ হৈ যাব আৰু মগৰিবৰ নমাজ তেওঁ পঢ়ি লব । এই পদ্ধতি আছৰ নমাজ সম্পৰ্কেও অৱলম্বন কৰিব ।

শ্বেখ ইয়াকুব আলী চাহাব ইৰফানি লিখিছে যে হজৰত মছিহ মাওউদ আঃয়ে প্ৰথমৰে পৰাই চুন্নত আৰু নোৱাফিল ঘৰত পঢ়ি ফৰজ নমাজ জমাতৰ সৈতে মছজিদত পঢ়িছিল ।এই নিয়মানুবৰ্তিতা তেখেত আঃৰ জীৱণৰ শেষ মুহুৰ্তলৈ আছিল ।হজৰত খলিফাতুল মছিহ আউৱাল ৰাঃ য়ে কোৰ-আন মজিদৰ দৰছ দিয়া সময়ত উল্লেখ কৰে যে হজৰত মছিহ মাওউদ আঃৰ এই অভ্যাস আছিল যে ফৰজ নমাজ পঢ়াৰ পিছতেই সোনকালে ভিতৰ চৰালৈ গুচি গৈছিল আৰু মই ওতেনেকুৱা কৰো । ইয়াৰ পৰা দেখিবলৈ পোৱা গৈছে যে কিছুমান অবুজ লৰা-ছোৱালী প্ৰায় এই অভ্যাস হৈ গৈছে ।সিঁহতেও ফৰজ নমাজ পৰাৰ পিছত তৎক্ষনাত মছজিদৰ পৰা গুচি যায় ।ইয়াৰ দ্ধাৰা অনুমান হয় যে তেওলোকে চুন্নত আদায়ৰ পৰা বঞ্চিত হৈ থাকে । এওলোকে মনত ৰখা উচিত যে তেখেত আঃয়ে ভিতৰত গৈ আগতেচুন্নত আদায় কৰিছিল তেনেকৈ মই ও কৰো ।এই বিষয়ে প্ৰশ্ন হয় যে পেশা হিচাপে ইমামত কৰিব পৰা যায় নে নেযায় । উল্লেখ আছে যি সকলে ইমামতি কৰাটো এটা পেশা হিচাপে লৈছে,তেওঁলোকে পাচঁ ওয়াক্ত মছজিদত গৈ নমাজ নপঢ়ে বৰং এখন দোকানৰ দৰে সেই সময়ত গৈ খোলে যেতিয়া প্ৰয়োজন আৰু সেই দোকানৰ ওপৰত তেওঁলোকৰ পৰিয়াল নিৰ্ভৰ কৰি চলে । গতিকে এয়া ইমামতি কৰা নহয়, এয়া হল হাৰাম ভক্ষণ কৰাৰ এটা পন্থা মাত্ৰ ।লগতে উল্লেখ কৰে যে মোৰ বোধেৰে যি সকল লোকে নিজৰ পেশা হিচাপে নমাজ পঢ়ায়,তেওঁলোকৰ পিছে নমাজ পঢ়া ঠিক নহয় ।তেওঁলোকে সপ্তাহিক খানা পিনা আৰু দৰমহাৰ ফালে ধ্যান ৰাখি নমাজ পঢ়ায় । যদি এয়া নাপায় তেন্তে কাম এৰি দিয়ে ।

আকৌ যি সকলে হজৰত মছিহ মাওউদ আঃক কাফিৰ বুলি কয় তেওঁলোকৰ পিছত নমাজ পঢ়া সম্পৰ্কে কয় যে কুফৰ কৰোঁতা সকল আৰু মিছাৰ পথ অৱলম্বনকাৰী সকল ধংস প্ৰাপ্ত জাতি,সেয়ে তেওঁলোক উপযুক্ত নহয় যে মোৰ জমাতৰ কোনো লোকে সিহঁতৰ পিছত নমাজ পঢ়িব । জীৱিতই মৃতকৰ পিছত নমাজ পঢ়িব পাৰেনে ?গতিকে মনত ৰাখিবা যে যেনেকৈ খোদা তায়লা মোক জনাইছে যে তোমালোকৰ ওপৰত হাৰাম আৰু নিশ্চিত ভাৱেই হাৰাম যে তোমালোকে কোনো কুফৰকাৰী আৰু মিছলীয়া অথবা লুভীয়াৰ পিছত নমাজ পঢ়ে বৰং উচিত হল তোমালোকৰ ইমাম সেইজন যি জন তোমালোকৰ মাজৰে এজন ।উক্ত বিষয় সংক্ৰান্তেই হদীছ বোখাৰী শ্বৰীফৰ এক অংশত উল্লেখ আছে যে (ইমামুকুম মিনকুম) ।
দুজন মানুহে বয়াত কৰাৰ পিছত এজনে প্ৰশ্ন কৰিলে যে অ-আহমদী সকলৰ পিছত নমাজ পঢ়া জায়েজ হয় নে নহয় ? হজৰত মছিহ মাওউদ আঃয়ে উত্তৰত কয় যে তেঁওলোকে মোক কাফিৰ কয় যদি মই কাফিৰ নহয় তেন্তে সেই কুফৰ ওলটি আহি তেওঁলোকৰ ওপৰত পৰিব । মুছলমান কাফিৰ কওঁতা জন নিজেই কাফিৰত পৰিণত হয় । সেই বাবে এনেলোকৰ পিছত নমাজ পঢ়া জায়েজ নহয় । লগতে আৰু উল্লেখ কৰে যে যি সকলে নীৰৱ থাকে একো নকয় তেওঁলোকেও এই লোক সকলৰ অৰ্ন্তভুক্ত । গতিকে এই সকলৰ পিছতো নমাজ জায়েজ নহয় কাৰণ এওঁলোকৰ অন্তৰতো কোনো নহয় কোনো ধৰ্মৰ বিৰুধীতা নিহিত হৈ আছে । যদি তুমি এওঁলোকৰ সৈতে মিলি জুলি চলি থাকা তেন্তে খোদা তায়লা ,যিয়ে তোমালোকৰ ওপৰত বিশেষ দৃষ্টি ৰাখে, সেয়া নৰখা হব । পৱিত্ৰ জমাত যেতিয়া পৃথক হৈ থাকিব তেতিয়াহে ইয়াৰ উন্নতি হব । আল্লাহ তায়লা আমালোকক পৱিত্ৰ মনেৰে এই জমাতৰ এজন ব্যাক্তি হোৱাৰ তৌফিক দান কৰক । যি হজৰত মছিহ মাওউদ আঃ য়ে আমাৰ পৰা প্ৰত্যাশা কৰিছে । খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ আঃ য়ে উল্লেখ কৰে যে আলজাজায়েৰ আহমদী সকলৰ বাবে দোৱা কৰিবলৈ আবেদন থাকিল । এয়া হল এখন নতুন জমাত বেছি